জনসংযোগ, অসম
মুখ্যমন্ত্রীৰ জনসম্পর্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বার্তা

নং ঃ ১৩৯/২০১৯

# কেন্দ্রীয় লোকসেৱা আয়োগৰ (প্রাৰম্ভিক) পৰীক্ষাত উত্তীর্ণ হোৱা পৰীক্ষার্থীক জলপানি, ৰাজ্যিক ক্রীড়া জলপানি আৰু ক্রীড়া পেঞ্চনৰ আর্থিক সাহায্য প্রদান কৰিলে মুখ্যমন্ত্রীয়ে

**দিছপুৰ, ৭ মার্চ ঃ** ক্রীড়া আৰু যুৱ কল্যাণ বিভাগ, ৰাজ্যিক পর্যায়ৰ ছাত্র আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ যৌথ উদ্যোগত অসম প্রশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত আজি আয়োজন কৰা এক অনুষ্ঠানত মুখ্যমন্ত্রী সর্বানন্দ সোণোৱালে ইউপিএছচি (প্রিলিমিনাৰী) পৰীক্ষাত কৃতকার্যতাৰে উত্তীর্ণ হোৱা প্রার্থীক জলপানি প্রদান কৰাৰ উপৰি ৰাজ্যিক ক্রীড়া জলপানি আৰু ক্রীড়া পেঞ্চনৰ আর্থিক সাহায্য প্রদান কৰে।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্রদান কৰি মুখ্যমন্ত্রী সোণোৱালে কয় যে ইউপিএছচি (প্রিলিমিনাৰী) পৰীক্ষাত উত্তীর্ণ হোৱা ছাত্র-ছাত্রীসকলে দিনে-নিশাই কষ্ট কৰি চূড়ান্ত সফলতা আহৰণ কৰিব লাগিব। এই ক্ষেত্রত আনন্দৰাম বৰুৱাই দেখুৱাই যোৱা আদর্শৰে অনুপ্রাণিত হ'ব লাগিব বুলিও মুখ্যমন্ত্রীয়ে কয়। সমগ্র ভাৰতবর্ষৰ প্রশাসন ব্যৱস্থাটো আমাৰ হাতলৈ আনিবলৈ হ'লে আমাৰ ছাত্র-ছাত্রীসকলে ইউপিএছচিৰ পৰীক্ষাত সফলতা কঢ়িয়াই আনিব লাগিব। আগতে আমি এই যাত্রাত পিছ পৰি আছিলো যদিও এতিয়া আগবাঢ়িছো। আমাৰ উঠি অহা প্রজন্মই প্রতিযোগিতামুখী মানসিকতাৰে একগ্রতাৰে অধ্যয়নত মনোনিৱেশ কৰি জীৱনৰ বাটত উজলি উঠিব লাগিব বুলি মুখ্যমন্ত্রীয়ে কয়।

মুখ্যমন্ত্রীয়ে কয় যে প্রকৃত শিক্ষাৰ জৰিয়তেহে শক্তিশালী ব্যক্তিৰ গৰাকী হ'ব পাৰি। আধুনিক ধ্যান ধাৰণাৰে দক্ষতা, যোগ্যতা আৰু সততা বৃদ্ধি কৰি জীৱনৰ বাটত শ্রেষ্ঠতা আহৰণৰ বাবে নিৰলস প্রয়াস চলাব লাগিব বুলিও মুখ্যমন্ত্রীয়ে কয়। ৰাজ্যৰ শিক্ষা ব্যৱস্থাটো অধিক গতিশীল আৰু দৰিদ্র শ্রেণীৰ পৰিয়ালৰ সন্তানেও যাতে শিক্ষা আহৰণ কৰিব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে বিভিন্ন পদক্ষেপ লৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্রীয়ে কয় যে গুণোৎসৱৰ জৰিয়তে আমাৰ শিক্ষা ব্যৱস্থাৰ আমূল পৰিৱর্তন সাধন কৰাৰ বাবে ৰাজ্য চৰকাৰে দৃঢ়তাৰে প্রয়াস চলাইছে। পিতৃ-মাতৃ আৰু শিক্ষক-শিক্ষয়িত্রীসকলে ছাত্র-ছাত্রীসকলক আগুৱাই যোৱাৰ বাবে পৰিৱেশ সৃষ্টি কৰিব লাগিব বুলি মুখ্যমন্ত্রীয়ে কয়।

ক্রীড়াই শান্তি প্রতিষ্ঠা কৰে বুলি উল্লেখ কৰি মুখ্যমন্ত্রীয়ে কয় যে শান্তিৰ অধিকাৰী হ'বলৈ হ'লে মহৎ কাম আৰু মহৎ চিন্তা কৰিব লাগিব। ক্রীড়াৰ যোগেদি মূল্যবোধ সম্পন্ন জীৱন যাতে গঢ়িব পাৰে তাৰ বাবে ৰাজ্য চৰকাৰে ক্রীড়া নীতি, ক্রীড়া বিশ্ববিদ্যালয়, ভোগেশ্বৰ বৰুৱা ক্রীড়া একাডেমী, গ্রামাঞ্চলৰ ৫০০ খন খেল পথাৰ উন্নয়ন সাধনৰ লেখীয়া বিভিন্ন পদক্ষেপ ইতিমধ্যে গ্রহণ কৰা হৈছে। মুখ্যমন্ত্রীয়ে প্রত্যাহ্বান নেওচি জীৱনৰ বাটত সফলতা আহৰণৰ বাবে দৃঢ় মানসিকতা এটি গঢ়ি তোলাৰ ওপৰটো গুৰুত্ব আৰোপ কৰে।

আজিৰ এই অনুষ্ঠানত ছাত্র আৰু যুৱ কল্যাণ উপদেষ্টা সমিতিৰ সদস্য সচিব লক্ষ্য কোঁৱৰ, অসম পাঠ্য পুথি প্রণয়ন নিগম লিমিটেডৰ অধ্যক্ষ ৰাজেন বৰঠাকুৰেও ভাষণ দিয়ে। উল্লেখ্য যে আজিৰ এই অনুষ্ঠানত ২০১৮-১৯ বর্ষত ইউপিএছচি (প্রিলিমিনাৰী) পৰীক্ষাত কৃতকার্যতাৰে উত্তীর্ণ হোৱা ৪৬ গৰাকী প্রার্থী প্রত্যককে ১ লাখ ২৫ হাজাৰ টকাকৈ জলপানি প্রদান কৰে মুখ্যমন্ত্রীয়ে। আনহাতে এই অনুষ্ঠানতে ২০১৭-১৮ আৰু ২০১৮-১৯ বর্ষৰ বাবে ক্রীড়া পেঞ্চন হিচাপে ৫০ হাজাৰ টকা আৰু আন্তঃৰাষ্ট্রীয় পর্যায়ত ক্রীড়াৰ

ক্ষেত্ৰত দেখুওৱা নৈপুণ্যতাৰ বাবে ৫০ হাজাৰ টকা সাহায্য প্ৰদান কৰে মুখ্যমন্ত্ৰীয়ে। অনুষ্ঠানত ক্ৰীড়া বিভাগৰ কনিষ্ঠ সহায়ৰ নিযুক্তি পত্ৰও প্ৰদান কৰে মুখ্যমন্ত্ৰীয়ে।

অনুষ্ঠানত বিধায়ক বিমল বৰা, অসম ক্ৰীড়া প্ৰাধিকৰণৰ উপাধ্যক্ষ কুইন ওজা, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগৰ প্ৰধান সচিব বিশ্বৰঞ্জন শ্যামাল প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত আছিল।

**পুঃডেঃ / বঃভাঃ /**
**৭/৩/২০১৯**